# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## অক্টোবৰ ২০২২

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| ৩১ শ্ৰেণী দিন | | | | | ১ শ্ৰেণী দিন | ২ বন্ধ দিন আৰু উদ্‌যাপন দিন (গান্ধী জয়ন্তী, দুৰ্গা পূজা ) |
| ৩ বন্ধ দিন (দুৰ্গাপূজা) | ৪ বন্ধ দিন (দুৰ্গাপূজা) | ৫ বন্ধ দিন (বিজয়া দশমী, শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ) | ৬ শ্ৰেণী দিন | ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ বন্ধ দিন |
| ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন | ১২ শ্ৰেণী দিন | ১৩ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক দুৰ্যোগ নিবাৰণ দিৱস) | ১৪ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম জয়ন্তী) | ১৫ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব হাত ধোৱা দিৱস আৰু বিশ্ব ছাত্ৰ দিৱস) | ১৬ বন্ধ দিন |
| ১৭ শ্ৰেণী দিন | ১৮ বন্ধ দিন (কাতি বিহু) | ১৯ শ্ৰেণী দিন আৰু অৰ্ধছুটী দিন (শ্ৰীশ্ৰী লক্ষ্মী পূজা) | ২০ শ্ৰেণী দিন | ২১ শ্ৰেণী দিন | ২২ শ্ৰেণী দিন | ২৩ বন্ধ দিন |
| ২৪ বন্ধ দিন (কালী পূজা আৰু দেৱালী) | ২৫ শ্ৰেণী দিন | ২৬ শ্ৰেণী দিন | ২৭ বন্ধ দিন (ভ্ৰাতৃ-দ্বিতীয়া) | ২৮ শ্ৰেণী দিন | ২৯ শ্ৰেণী দিন | ৩০ বন্ধ দিন (ষট্ পূজা) |

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণী

| ক শ্ৰেণী | বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|---|
| অকণিৰ কৰ্মপুথি (পৃষ্ঠা: ৩৭-৪৪) Beginners' English (Page: 27-30) | অসমীয়া (ভাষা-১) | ❑ আচল সখি ❑ ৰে'ল-গাড়ী | ❑ বুধিয়ক বীৰবল ❑ সাহসী ল'ৰাজন | ❑ মাকণৰ চিঠি ❑ ময়ুৰ পক্ষীৰ জন্ম কাহিনী | ❑ বীৰাংগনা মূলাগাভৰু ❑ অসমৰ কাঁহ শিল্প | ❑ ৰঙৰ ৰহস্য ❑ ভতুৱা আৰু খঁকুৱাৰ খৰিয়াল |
| | গণিত | ❑ বিয়োগ ❑ ১০ৰপৰা ২০লৈ সংখ্যাৰ ধাৰণা | ❑ চানেকি ❑ যোগ | ❑ যোগ ❑ দৈৰ্ঘ্য ❑ চানেকি | ❑ তথ্যৰ ব্যৱহাৰ ❑ হৰণ | ❑ হৰণ (পুনৰ আলোচনা) ❑ ভগ্নাংশ আৰু দশমিক ভগ্নাংশ |
| | ইংৰাজী (ভাষা-২) | ❑ Animal World ❑ The Dog and the Red Van | ❑ Traffic Lights ❑ Keep Healthy | ❑ A Brave General ❑ A Glass of Lemonade | ❑ The Letter (R) ❑ A Golden Voice | ❑ Let's write a story (R) ❑ The Joy of Living |
| | পৰিৱেশ অধ্যয়ন | —— | —— | ❑ শৰীৰৰ যতন ❑ আমাৰ দৈনন্দিন জীৱনত পানী | ❑ আমাৰ উৎসৱসমূহ ❑ আমাৰ ৰাষ্ট্ৰীয় পতাকা | ❑ পৰিৱেশ প্ৰদূষণ ❑ আমাৰ উদ্যোগসমূহ |

ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ তিনিকোণীয়া, চাৰিকোণীয়া, বৃত্ত আদি বিভিন্ন আকৃতিৰে থিয় হোৱাৰ অনুশীলন কৰাব।

❑ প্ৰাণায়াম কৰিবলৈ শিকিব।

❑ প্ৰস্ৰাৱগাৰ/শৌচালয় ব্যৱহাৰ কৰাৰ লগতে খোৱাৰ আগত আৰু খোৱাৰ পাছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ কাগজৰ খাম, নাও, স্কেল, ফুল, পুতলা আদি ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰিবলৈ দিব। শিক্ষকে সেইবোৰ দণ্ডচিত্ৰ হিচাপে শ্ৰেণীকোঠাৰ বেৰত উপস্থাপন কৰিব।

❑ পাঠ্যপুথিত থকা গল্প, নাট আদিৰ লগতে সমাজৰ বিভিন্ন বৃত্তিধাৰী লোকসমূহৰ মাত/ সংলাপসমূহ ভাও বা অভিনয় কৰিবলৈ শিকিব। যেনে- ডাকপিয়ন, ওজাপালিৰ ওজা, মৌজাদাৰ, গাঁওবুঢ়া আদি।

## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**২ অক্টোবৰঃ** মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব, সমূহীয়া চাফাই কাম কৰিব, মহাত্মা গান্ধীৰ জীৱন আৰু দৰ্শনৰ ওপৰত আলোচনা কৰিব।

**১৩ অক্টোবৰঃ** প্ৰাকৃতিক আৰু মানৱ সৃষ্ট দুৰ্যোগৰ সম্ভাব্য ক্ষয়-ক্ষতি কমোৱাৰ কৌশল আৰু সজাগতা সৃষ্টি সন্দৰ্ভত আলোচনা কৰিব। সম্ভৱ হ'লে মণ্ডল ভিত্তিত দুৰ্যোগ নিবাৰণ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি দুৰ্যোগৰ সময়ত আগত বা পাছত ল'বলগীয়া ব্যৱস্থাৱলী আৰু সাৱধানতাৰ বিষয়ে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব।

**১৪ অক্টোবৰঃ** অসমীয়া সাহিত্যলৈ বেজবৰুৱাদেৱৰ অবদান সম্পৰ্কে আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীসকলক 'বুঢ়ী আইৰ সাধু'ৰ লগতে দেশী-বিদেশী সাধু কোৱা বা শুনোৱাৰ ব্যৱস্থা কৰিব।

**১৫ অক্টোবৰঃ** স্বাস্থ্য ৰক্ষাৰ বাবে হাত ধোৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব। মধ্যাহ্ন ভোজনৰ আগত আৰু পাছত চাবোনেৰে হাত ধোৱাৰ অভ্যাস কৰাব। 'বিশ্ব ছাত্ৰ দিৱস' উপলক্ষে ড° এ.পি.জে আব্দুল কালামৰ জীৱন আৰু দৰ্শন সম্পৰ্কে আলোচনা কৰিব।

| | | |
|---|---|---|
| প্ৰকৃত শ্ৰেণী দিন | ঃ | ২০ |
| ৰবিবাৰ | ঃ | ৫ |
| আন বন্ধৰ দিন | ঃ | ৬ |
| মাহটোৰ মুঠ দিন | ঃ | ৩১ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৪)

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | আইতাক মই কিদৰে পঢ়িবলৈ শিকালোঁ | ❑ মিছাইল মানৱ ❑ অসম | ❑ শ্ৰীশ্ৰী শংকৰদেৱ (পুনৰ আলোচনা) ❑ ভয় |
| গণিত | ❑ তথ্যৰ ব্যৱহাৰ ❑ বীজগণিত | ❑ পৰিমেয় সংখ্যা ❑ ব্যৱহাৰিক জ্যামিতি | ❑ বীজগণিতীয় ৰাশি আৰু অভেদসমূহ ❑ গোটা আকৃতিৰ দৃশ্যায়ন |
| ইংৰাজী (ভাষা-২) | ❑ Uses of ICT (R) ❑ A Holiday in Delhi | ❑ The Daffodils (R) ❑ Dhunu's Guitar | ❑ Louis Pasteur (R) ❑ A New Day, A New Way |
| বিজ্ঞান | ❑ দেহৰ চলন ❑ জীৱ আৰু ইয়াৰ চৌপাশ | জীৱৰ শ্বাস-প্ৰশ্বাস | ❑ প্ৰাণীৰ প্ৰজনন (পুনৰ আলোচনা) ❑ কৈশোৰ প্ৰাপ্তি |
| সমাজ বিজ্ঞান | ❑ চৰকাৰৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ চৰকাৰ (ৰা. বি) ❑ গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ (ৰা.বি.) | ❑ দিল্লীৰ চুলতানী যুগ (১২০৬-১৫২৬ খ্ৰীঃ) (ই) ❑ গণতন্ত্ৰ আৰু প্ৰচাৰ মাধ্যম (ৰা. বি) | ❑ ভাৰতৰ উদ্যোগ আৰু পৰিবহণ ব্যৱস্থা (ভূ) ❑ আৰ্থ-সামাজিক উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা (অ. বি) |
| হিন্দী (ভাষা-৩) | ❑ चलो, तेजपुर चलें ❑ बाघ और बटोही | ❑ सुमन एक उपवन के ❑ स्वाधीनता संग्राम में पूर्वोत्तर की वीरांगनायें | ❑ पहली बूंद ❑ भारत दर्शन |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিব।

❑ ফাইল ক'ভাৰ, চাৰ্ট আদি প্ৰস্তুত কৰিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ বল পাচিং খেলিব।

❑ এখন ভৰিত ভৰ দি থিয় হৈ হাতদুখন কাষলৈ মেলি দিব আৰু ভাৰসাম্য ৰক্ষা কৰিব।

❑ প্ৰস্ৰাৱগাৰ/শৌচালয় ব্যৱহাৰ কৰাৰ লগতে খোৱাৰ আগত আৰু খোৱাৰ পাছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ ঢোল, খোল, পেঁপা, বাঁহী, সুতুলী, গগনা আদি বাদ্যযন্ত্ৰসমূহৰ বিষয়ে জানিব আৰু গীতৰ লগতে এই বাদ্যসমূহ সংগত কৰিবলৈ শিকিব।

❑ পাঠ্যপুথিৰ বিভিন্ন পদ্য/কবিতা আদি মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।







❑ প্ৰাক্-প্ৰাথমিকৰপৰা ৫ম শ্ৰেণী পৰ্যন্ত শিক্ষকে যিমানদূৰ সম্ভৱ মাতৃভাষাত শিক্ষা প্ৰদান কৰিব। প্ৰয়োজনসাপেক্ষে ঘৰুৱা ভাষাৰো সহায় ল'ব।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## নৱেম্বৰ ২০২২

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | ১ শ্ৰেণী দিন | ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক হিংসা আৰু উৎপীড়ণ নিবাৰক দিৱস) | ৫ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (সুধাকণ্ঠ দিৱস) | ৬ বন্ধ দিন |
| ৭ শ্ৰেণী দিন | ৮ বন্ধ দিন (গুৰু নানকৰ জন্মদিন) | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (ৰাষ্ট্ৰীয় শিক্ষা দিৱস) | ১২ শ্ৰেণী দিন | ১৩ বন্ধ দিন |
| ১৪ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (শিশু দিৱস) | ১৫ শ্ৰেণী দিন | ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ শ্ৰেণী দিন | ১৯ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব অনাময় দিৱস) | ২০ বন্ধ দিন |
| ২১ শ্ৰেণী দিন | ২২ শ্ৰেণী দিন | ২৩ শ্ৰেণী দিন | ২৪ বন্ধ দিন (লাচিত দিৱস) | ২৫ মূল্যায়ন দিন | ২৬ মূল্যায়ন দিন আৰু উদ্‌যাপন দিন (সংবিধান দিৱস) | ২৭ বন্ধ দিন |
| ২৮ মূল্যায়ন দিন | ২৯ মূল্যায়ন দিন | ৩০ মূল্যায়ন দিন | | | | |

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণী

| ক শ্ৰেণী | বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|---|
| অকণিৰ কৰ্মপুথি (পৃষ্ঠা: ৪৫-৫৭) Beginners' English (Page: 31-34) | অসমীয়া (ভাষা-১) | ❑ চিলনী আৰু মাছ ❑ পখিলা | ❑ ভালুকে খেলিলে ফুটবল ❑ বোন্দাৰ বিলৈ | ❑ সবৰমতী আশ্ৰমত গান্ধীজী ❑ গাই গাই যাওঁ | ❑ বৰদৈচিলা ❑ ব্ৰহ্মপুত্ৰ | ❑ তিনিটা মাছৰ কাহিনী ❑ অমল প্ৰভা দাস |
| | গণিত | ❑ সময় ❑ যোগ-বিয়োগ (২০ৰ ভিতৰত) | ❑ বিয়োগ ❑ টকা-পইচা | ❑ বিয়োগ ❑ ওজন | ❑ চানেকি ❑ ওজন | ❑ জোখ-মাখ (দৈৰ্ঘ্য) ❑ সমমিতি |
| | ইংৰাজী (ভাষা-২) | ❑ The Dog and the Red Van (R) ❑ At the Market | ❑ Keep Healthy (R) ❑ A Pleasant Surprise | ❑ A Glass of Lemonade (R) ❑ Little Raindrops | ❑ A Golden Voice (R) ❑ Frogs at School | ❑ The Joy of Living (R) ❑ My Story |
| | পৰিৱেশ অধ্যয়ন | —— | —— | ❑ আমাৰ যান-বাহন ❑ আকাশৰ কথা | ❑ আমাৰ ৰাজ্যখন ❑ অসমৰ প্ৰাকৃতিক সম্পদ | ❑ আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ ❑ আমাৰ দেশ |

ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ সমান শাৰীত থিয় হৈ দহখোজ আগুৱাব, দহখোজ পিছুৱাব।

❑ ভৰিৰ আঙুলিৰ ওপৰত থিয় হৈ সমুখৰ ফালে খোজ কাঢ়িব।

❑ মাৰ্চ-পাষ্ট সম্পূৰ্ণভাৱে শিকিবলৈ যত্ন কৰিব।

❑ প্ৰস্ৰাৱগাৰ/শৌচালয় ব্যৱহাৰ কৰাৰ লগতে খোৱাৰ আগত আৰু খোৱাৰ পাছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ ডাঠ কাগজত অসমৰ এখন মানচিত্ৰ আঁকি জিলাসমূহ বিভিন্ন ৰঙেৰে ৰং কৰিব।

❑ পাঠ্যপুথিৰ বিভিন্ন পদ্য আৰু কবিতা মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।

## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

২৫, ২৬, ২৮, ২৯, ৩০ নৱেম্বৰ ঃ তৃতীয় গোট মূল্যায়ন।

৪ নৱেম্বৰ ঃ শিক্ষকে দিনটোৰ কোনো এটা সময়ত ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত সততে বিভিন্নজনৰপৰা সন্মুখীন হোৱা হিংসা, উৎপীড়ণৰ লগতে চাইবাৰ অপৰাধমূলক কাৰ্যৰপৰা বিৰত থাকি সুস্থ মানসিকতাৰ গৰাকী হবলৈ পৰামৰ্শ আগবঢ়াব (পাঠ্যপুথিৰ শেষৰ পৃষ্ঠাত সন্নিবিষ্ট QR ক'ডৰ সমলৰ সহায় ল'ব)।

৫ নৱেম্বৰ ঃ ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আলোচনা, গীত-মাতৰ চৰ্চা কৰিব। সকলোৱে মিলি তেখেতৰ যুগজয়ী গীত 'মানুহে মানুহৰ বাবে' পৰিৱেশন কৰিব।

১১ নৱেম্বৰ ঃ মৌলানা আবুল কালাম আজাদৰ জন্মদিন উপলক্ষে আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি যাচি তেওঁৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনা কৰিব।

১৪ নৱেম্বৰ ঃ জৱাহৰলাল নেহৰুৰ জন্মদিন উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনা কৰিবলৈ দিব।

১৯ নৱেম্বৰ ঃ প্ৰাতঃসভাত দিনটোৰ তাৎপৰ্য আৰু অনাময় ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব।

২৬ নৱেম্বৰ ঃ ভাৰতৰ সংবিধানে নাগৰিকৰ বাবে নিৰ্ধাৰণ কৰা মৌলিক কৰ্তব্যসমূহৰ ওপৰত আলোকপাত কৰিব যাতে ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে এই মৌলিক কৰ্তব্যসমূহ পালন কৰাৰ প্ৰতি সজাগ হয়।

| | | |
|---|---|---|
| মূল্যায়ন দিন | ঃ | ৫ |
| প্ৰকৃত শ্ৰেণী দিন | ঃ | ১৯ |
| ৰবিবাৰ | ঃ | ৪ |
| আন বন্ধৰ দিন | ঃ | ২ |
| মাহটোৰ মুঠ দিন | ঃ | ৩০ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৬)

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | ❑ মহীয়সী হেলেন কেলাৰ ❑ সঞ্চয় | ❑ প্ৰত্যাহ্বান ❑ গছ ভালপোৱা ককাৰ খং | ❑ পৰিক্ষীতৰ ব্ৰহ্মশাপ ❑ অতীতক নাযাবা পাহৰি |
| গণিত | দশমিক ভগ্নাংশ | পৰিসীমা আৰু কালি | পৰিমিতি |
| ইংৰাজী (ভাষা-২) | ❑ A Holiday in Delhi (R) ❑ Pollution | A Child's Beauty | Sympathy |
| বিজ্ঞান | গতি আৰু দূৰত্বৰ জোখ-মাখ | ❑ প্ৰাণী আৰু উদ্ভিদৰ পৰিবহণ তন্ত্ৰ ❑ উদ্ভিদৰ প্ৰজনন | ❑ বল আৰু চাপ ❑ ঘৰ্ষণ |
| সমাজ বিজ্ঞান | ❑ মহাজনপদ (ই) ❑ নতুন ভাৱৰ উত্থান (ই) ❑ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ (ৰা.বি.) | ❑ সম্পদ (ভূ) ❑ অসমৰ সম্পদ (ভূ) ❑ মোগল ৰাজত্বকালত ভাৰতবৰ্ষ (ই) | ❑ গ্ৰাহকৰ সজাগতা, অধিকাৰ আৰু সুৰক্ষা (অ.বি.) ❑ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসনকালত ভাৰতবৰ্ষত হোৱা সংস্কাৰসমূহ (ই) ❑ অসমৰ নদ-নদী (ভূ) |
| হিন্দী (ভাষা-৩) | ❑ प्रकृति का संदेश ❑ अभ्यास की महिमा | ❑ कागज की कहानी ❑ अशोक का शस्त्र-त्याग | ❑ जैसे को तैसा ❑ गोकुल लीला |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ শিল, বালি আৰু কয়লাৰে ঘৰুৱাভাৱে পানী বিশুদ্ধকৰণ কৰাৰ পদ্ধতি শিকিব।

❑ পেলনীয়া বস্তুৰ সহায়ত বিভিন্ন লাগতিয়াল সামগ্ৰী প্ৰস্তুত কৰিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ সহজ ব্যায়াম, যেনে- হাতদুখন সমুখলৈ, কাষলৈ, ওপৰলৈ নি কেবাবাৰো অনুশীলন কৰিব।

❑ এখন ভৰিত ভৰ দি থিয় হৈ হাতদুখন কাষলৈ মেলি দিব আৰু ভাৰসাম্য ৰক্ষা কৰিব।

❑ মাটিত বহি ভৰিদুখন মেলি মূৰটো মাটিত লগাবলৈ চেষ্টা কৰিব।

### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

পাঠ্যপুথিৰ বিভিন্ন পদ্য/কবিতা আদি মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।










❑ ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধান হোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।

❑ বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰপৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।